# SEMESTER II
# Pol RC 2016 Indian Government and Polictics

**ভাৰতীয় সংবিধান ঃ মূল বৈশিষ্ট্য সমূহ ঃ**

বৰ্তমান পৃথিৱীৰ প্ৰায় সকলো ৰাষ্ট্ৰই সংবিধানিক ৰাষ্ট্ৰ। অৰ্থাৎ প্ৰত্যেক ৰাষ্ট্ৰৰে একোখন সংবিধান আছে আৰু ৰাষ্ট্ৰ প্ৰশাসন সংবিধানৰ ৰীতি-নীতি অনুযায়ী পৰিচালনা কৰা হয়। কিন্তু সংবিধানৰ লক্ষ্য আৰু উদ্দেশ্য সমূহ বেলেগ বেলেগ হ'ব পাৰে। ইয়াৰ উপৰিও প্ৰত্যেক ৰাষ্ট্ৰৰ সংবিধানখন এখ সুকীয়া পৰিৱেশৰ মাজত সৃষ্টি হয়, সেয়েহে প্ৰত্যেক সংবিধানৰ কিছুমান বিশেষ বৈশিষ্ট্য দেখিবলৈ পোৱা যায়।

ভাৰতীয় সংবিধানৰো কিছুমান লক্ষ্য আছে। ইয়াৰ কাৰণ হৈছে ভাৰতৰ এক ইতিহাস আছে আৰু ইতিহাসৰ লগত জড়িত কিছুমান আদৰ্শ আছে। এই আদৰ্শ সমূহে সংবিধান ৰচয়িতা সকলক যথেষ্ট অনুপ্ৰণিত কৰিছিল। সেয়েহে ভাৰতৰ সংবিধানখন এক বিশেষ সংবিধান-ই হৈছে নমনীয়তা আৰু অনমনীয়তাৰ সংমিশ্ৰণ আৰু লগতে যুক্ত ৰাষ্ট্ৰ আৰু একাত্মক চৰকাৰৰ মিশ্ৰণৰ এক উজ্জ্বল নিদৰ্শন। ভাৰতীয় সংবিধানৰ আকৃতিত অতি বিশাল। সংবিধানখনৰ কিছুমান মৌলিক বৈশিষ্ট্য আছে যিয়ে ইয়াৰ গাঠনি নিৰ্ধাৰণ কৰিছে।

১। **তৈয়াৰ কৰা বা প্ৰস্তুত কৰা সংবিধান ঃ**

ভাৰতৰ সংবিধানখন তৈয়াৰ কৰি উলিওৱা সংবিধান অৰ্থাৎ ই সমাজৰ ক্ৰমবিৱৰ্তনৰ ফলত সৃষ্টি হোৱা সংবিধান নহয়। ভাৰতীয় সমাজৰ ক্ৰমবিকাশৰ ফল হিচাপে ই সৃষ্টি হোৱা নাই। ইয়াৰ পৰিৱৰ্তে সংবিধানখন এটা সংবিধান তৈয়াৰ কৰাৰ কৰ্তৃপক্ষ তৈয়াৰ কৰি উলিয়াই ভাৰতীয় সংবিধান সভাই এই সংবিধানখন প্ৰস্তুত কৰাৰ বাবে প্ৰায় ৩ বছৰ সময় লয়। সংবিধানত অন্তৰ্ভূক্ত প্ৰতিটো বিষয়া ওপৰত দীঘলীয়া আলোচনা আৰু তৰ্কৰ সৃষ্টি হয়, সভাৰ সদস্য সকলৰ মাজত এই বিষয়ে বিস্তৃত আলোচনা কৰা হয়। ড° ৰাজেন্দ্ৰ প্ৰসাদ সংবিধান সভাৰ সভপতিৰ পদত অধিষ্ঠিত আছিল। **১৯৪৯ চনৰ ২৬ জানুৱাৰীৰ পৰা কাৰ্যকৰী কৰা হয়। সেয়েহে এই দিনটোত প্ৰতিবছৰে গণতন্ত্ৰ দিৱস আয়োজন কৰা হয়।**

২। **দীৰ্ঘতম লিখিত সংবিধান ঃ**

ভাৰতবৰ্ষ হৈছে পৃথিৱীৰ বৃহত্তম গণতন্ত্ৰ আৰু ভাৰতৰ সংবিধানখন হৈছে পৃথিৱীৰ দীৰ্ঘতম লিখিত সংবিধান। এই খনেই হৈছে পৃথিৱীৰ সকলোতকৈ বিস্তাৰিত ভাৱে বিৱৰণ কৰা সংবিধান। **ইয়াত মুঠ ৩৯৫ টা অনুচ্ছেদ আছে আৰু এই অনুচ্ছেদ বোৰক ২২ টা অধ্যায় আৰু ১২ টা অনুসূচীত বিভক্ত কৰা হৈছে।** সংবিধানত ৯০.০০০ তকৈয়ো অধিক শব্দৰ প্ৰয়োগ কৰা হৈছে ইয়াৰ উপৰিও কেন্দ্ৰ আৰু ৰাজ্য উভয়ৰ বাবে একোখন সংবিধানেই গ্ৰহণ কৰা সিদ্ধান্তৰ ফলতো ই দীঘল হৈ পৰে। ৪০০ তকৈয়ো অধিক পৃষ্ঠাৰ ই এখন বৃহৎ গ্ৰন্থ।

৩। **নমনীয়তা আৰু অনমনীয়তাৰ মিশ্ৰণ ঃ**

ভাৰতৰ সংবিধানখন নমনীয়তা আৰু অনমনীয়তাৰ এক সংমিশ্ৰণ। ইয়াৰ অৰ্থ হৈছে সংবিধানৰ কিছুমান অনুচ্ছেদ সংশোধনৰ বাবে এক জটিল প্ৰক্ৰিয়াৰ প্ৰয়োজন হয় আনহাতে অন্য কিছুমান অনুচ্ছেদ অতি সহজে সংশোধন কৰিব পৰা যায়। ই যাতে সময়ৰ পৰিৱৰ্তন আৰু অগ্ৰগতিৰ লগত মিলিব পাৰে তাৰ বাবে কিছুমান ক্ষেত্ৰত নমনীয় কৰা হৈছে। আনহাতে ইয়াক যাতে নিজৰ স্বাৰ্থসিদ্ধিৰ বাবে কোনেও সহজে পৰিৱৰ্তন কৰিব নোৱাৰে তাৰ বাবে অনমনীয় বা দৃঢ় কৰি তোলা হৈছে।

৪। **প্ৰস্তাৱনাৰ অন্তৰ্ভূক্তি ঃ**

ভাৰতীয় সংবিধান অন্য এটা মৌলিক বৈশিষ্ট্য হৈছে প্ৰস্তাৱনাৰ অন্তৰ্ভূক্তি। প্ৰস্তাৱনাটো ভাৰতৰ সংবিধানৰ পাতনি স্বৰূপ। ইয়াত সংবিধানৰ দৰ্শন বা আদৰ্শসমূহ উল্লেখ কৰা হৈছে। সেয়েহে কেৱল প্ৰস্তাৱনাটো অধ্যয়ন কৰিয়ে এজন ব্যক্তিয়ে সম্পূৰ্ণ সংবিধান খনৰ বিষয়ে জানিব পাৰে। প্ৰস্তুৱনাটোত ভাৰতক এখন সাৰ্বভৌম, সমাজবাদী, ধৰ্মনিৰপেক্ষ, গণতান্ত্ৰিক গণৰাজ্য হিচাপে ঘোষণ কৰা হৈছে।

৫। **যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা ঃ**

ভাৰতীয় সংবিধানত ভাৰতক এখন যুক্তৰাষ্ট্ৰ হিচাপে কতো ঘোষণা কৰা হোৱা নাই। ইয়াৰ পৰিৱৰ্তে সংবিধানৰ **প্ৰথমটো অনুচ্ছেদত ভাৰতক 'ৰাজ্য সমূহৰ সংঘ' বুলি কোৱা হৈছে।** সংবিধানে ভাৰতক যুক্তৰাষ্ট্ৰ বুলিও কোৱা নাই অথবা একাত্মক ৰাষ্ট্ৰ বুলিও কোৱা নাই অতবা একাত্মক ৰাষ্ট্ৰ বুলিও কোৱা নাই। কিন্তু **ভাৰতত যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ বহুতো বৈশিষ্ট্য দেখিবলৈ পোৱা যা যেনে দুইধৰণ চৰকাৰ ক্ষমতাৰ বিতৰণ, ন্যায়ালয়ৰ নিৰপেক্ষতা ইত্যাদি।** কিন্তু জৰুৰীকালীন সময়ত ভাৰতবৰ্ষ এখন একাত্মক ৰাষ্ট্ৰত পৰিণত হয়। ইয়াৰ উপৰিও কেন্দ্ৰীয় চৰকাৰ ৰাজ্যিক চৰকাৰতকৈ অধিক ক্ষমতাশালী।

৬। **ধৰ্মনিৰক্ষেক্ষতা ঃ**

ধৰ্মনিৰপেক্ষতা ভাৰতীয় সংবিধান অন্য এটা মৌলিক বৈশিষ্ট্য। **সংবিধানৰ ৪২ তম্ সংশোধনীৰ জৰিয়তে ধৰ্মনিৰপেক্ষ শব্দটো ইয়াৰ অন্তৰ্ভূক্ত কৰা হয়।** ইয়াৰ অৰ্থ হৈছে ভাৰতত কোনো ৰাজধৰ্ম নাই। ইয়াত সকলো ধৰ্মকে সমান স্বীকৃতি প্ৰদান কৰা হৈছে। আৰু সকলো ধৰ্মৰ ব্যক্তিয়ে মাইনৰ দৃষ্টিত সমান। যিকোনো ধৰ্ম গ্ৰহণ আৰু উপাসনা কৰা স্বাধীনতা সকলোক প্ৰদান কৰা হৈছে। ধৰ্মৰ ভিত্তিত ব্যক্তিৰ মাজত বৈষম্যতাৰ সৃষ্টি কৰা নহয়। সংবিধানৰ ২৫-২৮ নং অনুচ্ছেদৰ জৰিয়তে ধৰ্মীয় স্বাধীনতা প্ৰদান কৰা হৈছে।

৭। **গণতান্ত্ৰিক ৰাষ্ট্ৰ ঃ**

ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাই ভাৰতক এখন গণতাত্ৰিক ৰাষ্ট্ৰ হিচাপে ঘোষণা কৰিছে। **কিন্তু ভাৰতীয় গণতন্ত্ৰ হৈছে পৰোক্ষ গণতান্ত্ৰ বা প্ৰতিনিধিত্বমূলক গণতন্ত্ৰ।** ভাৰতীয় জনগণই ৰাষ্ট্ৰীয় শাষণ ব্যৱস্থাত তেওঁলোকৰ নিৰ্বাচিত প্ৰতিনিধিসকলৰ জৰিয়তেহে অংশগ্ৰহণ কৰে। কিন্তু ভাৰতৰ সকলো নাগৰিকে সমান ৰাজনৈতিক অধিকাৰ উপভোগ কৰে। এই অধিকাৰ সমূহ হৈছে ভোটদানৰ অধিকাৰ, ৰাজনীতিত অংশ গ্ৰহণৰ অধিকাৰ, নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰাৰ অধিকাৰ, শান্তিপূৰ্ণ ভাৱে সভা আৰু সংগঠন তৈয়াৰ কৰা অধিকাৰ ইত্যাদি। নিৰ্দিষ্ট সময়ৰ মূৰে নিৰ্বাচনৰ জৰিয়তে প্ৰতিনিধি নিৰ্বাচন কৰা হয়। যদি কোনো চৰকাৰে জনসাধাৰণৰ আস্থা হেৰুৱায় তেতিয়া এনে চৰকাৰক প্ৰত্যাহাৰ কৰা হয়। সেয়েহে চৰকাৰে সংবিধান অনুসৰি কাৰ্য পৰিচালনা কৰিব লাগে, যিয়ে জনসাধণৰ ইচ্ছাক প্ৰতিফলিত কৰে।

৮। **প্ৰজাতন্ত্ৰ ঃ**

ভাৰতৰ সংবিধানৰ মৌলিক বৈশিষ্ট্য বুলি কলে প্ৰজাতন্ত্ৰ শব্দটোৰ বিশেষ গুৰুত্ব আছে। ইয়াৰ দ্বাৰা বুজোৱা হয় যে ভাৰতৰ ৰাষ্ট্ৰীয় মূৰব্বী জন বংশানুক্ৰমিক বা মনোনীত নহয়, ই নিৰ্বাচিত ভাৰতৰ ৰাষ্ট্ৰপতি ৰাষ্ট্ৰৰ মূৰব্বী তেওঁক নিৰ্বাচনৰ জৰিয়তে নিৰ্বাচিত কৰা হয় যদিও। এই নিৰ্বাচন পৰোক্ষ নিৰ্বাচন। **অৰ্থাৎ যেতিয়া ৰাষ্ট্ৰৰ মূৰব্বী জনক নিৰ্বাচনৰ জৰিয়তে নিৰ্বাচিত কৰা হয় তেতিয়া তাক প্ৰজাতন্ত্ৰ বুলি কোৱা হয় আৰু ভাৰতবৰ্ষ এখন প্ৰজাতন্ত্ৰ।**

৯। **মৌলিক অধিকাৰ অন্তৰ্ভূক্তি ঃ**

ভাৰতীয় সংবিধানৰ অন্য এটা মৌলিক বৈশিষ্ট্য হৈছে মৌলিক অধিকাৰৰ অন্তৰ্ভূক্তি। সংবিধানৰ তৃতীয় অধ্যায়ত এই অধিকাৰ সমূহ সন্নিবিষ্টি কৰা হৈছে। আৰম্ভণিতে জনসাধাৰণক ৭ টা মৌলিক অধিকাৰ প্ৰদান কৰা

হৈছিল যদিও বৰ্তমান ৬ টা অধিকাৰেহে প্ৰদান কৰা হৈছে **সংবিধানৰ ৪৪ তম সাংশোধনীৰ জৰিয়তে সম্পৰ্ত্তিৰ অধিকাৰ মৌলিক অধিকাৰৰ তালিকাৰ পৰা বাতিল কৰা হয়।** জনসাধাৰণক প্ৰদান কৰা ৬ টা মৌলিক অধিকাৰ হৈছে — সমতাৰ অধিকাৰ, স্বাধীনতাৰ অধিকাৰ, শোষণৰ বিৰুদ্ধে অধিকাৰ, ধৰ্মীয় অধিকাৰ, শিক্ষা আৰু সংস্কৃতিক অধিকাৰ আৰু সংবিধানিক শিক্ষা আৰু সংস্কৃতিক অধিকাৰ আৰু সংবিধানিক প্ৰতিকাৰৰ অধিকাৰ।।

১০। **মৌলিক কৰ্তব্য ঃ**

**সংবিধান চতুৰ্থ (ক) অধ্যায় তথা ৫১ (ক) অনুচ্ছেদত মৌলিক কৰ্তব্য সমূহ সংবিধানৰ ৪২ তম সাংশোধনীৰ জৰিয়তে অন্তৰ্ভূক্ত কৰা হয়। অধিকাৰে কৰ্তব্যকে সূচায়। সেয়েহে ভাৰতীয় সাংবিধানটো অধিকাৰ সমান্তৰাকে কৰ্তব্য সমূহ অন্তৰ্ভূক্ত কৰা হৈছে।** বৰ্তমান ভাৰতীয় নাগৰিক সকলক ১১ টা মৌলিক কৰ্তব্য প্ৰদান কৰা হৈছে। ইয়াৰ অন্তৰ্ভূক্তিৰ জৰিয়তে জনসাধাৰণৰ কৰ্তব্যবোধৰ প্ৰতি সচেতনতা অধিক বৃদ্ধি কৰাৰ বাবে প্ৰয়াস কৰা হৈছে।

১১। **সাংসদীয় পদ্ধতিৰ চৰকাৰ ঃ**

ভাৰতবৰ্ষত সংসদীয় পদ্ধতিৰ চৰকাৰ গঠন কৰা হৈছে। কেন্দ্ৰ আৰু ৰাজ্য উবয়তে একেই পদ্ধতিৰ চৰকাৰ গঠন কৰা হয়। আমাৰ দেশৰ সংসদীয় পদ্ধতি বৃটিছ আৰ্হিৰ। ৰাষ্ট্ৰপতি ভাৰতৰ ৰাষ্ট্ৰীয় মূৰব্বী যদিও তেওঁ নামমাত্ৰ শাষক প্ৰধানহে। প্ৰকৃত কাৰ্য্যপালিকা হৈছে প্ৰদানমন্ত্ৰীৰ নেতৃত্বত থকা **কেন্দ্ৰীয় মন্ত্ৰী পৰিষদ। কেন্দ্ৰীয় মন্ত্ৰী পৰিষদ বা কেবিনেট সংসদৰ নিৰ্ম্ম সদন অৰ্থাৎ লোক সভাৰ ওচৰত দায়বদ্ধ।** ভাৰতত কাৰ্য্য পালিকা আৰু বিধানমণ্ডুলৰ মাজত ওচৰ সম্পৰ্ক আছে। অৰ্থাৎ ভাৰতত সংসদেই হৈছে প্ৰকৃত ক্ষমতাৰ অধিকাৰী ভাৰতীয় সংসদ গঠন হৈছে ৰাষ্ট্ৰপতি আৰু দুখ সদন লয়।

১২। **সাৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰ নীতি ঃ**

ভাৰতৰ ৰাজনৈতিক ব্যৱস্থাত ইয়াৰ নাগৰিকক সাৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰ প্ৰদান কৰা হৈছে। অৰ্থাৎ ভাৰতৰ ১৮ বছৰ বয়স প্ৰাপ্ত সকলো নাগৰিকেই ভোট প্ৰদান কৰিব পাৰে। এই ক্ষেত্ৰত কোনো ধৰণৰ বৈষম্যতাৰ সৃষ্টি কৰা নহয়। প্ৰত্যেককে 'এক ব্যক্তি এক ভোট অধিকাৰ প্ৰদানকৰা হৈছে। এই নীতিৰ জৰিয়তে ভাৰতৰ সকলো নাগৰিককে ৰাজনৈতিক ক্ষেত্ৰত সমতা প্ৰদান কৰা হৈছে আৰু ৰাজনৈতিক সমতা প্ৰতিষ্ট কৰা হৈছে।

১৩। **জৰুৰীকালীন ব্যৱস্থা ঃ**

জৰুৰীকলীন অৱস্থাৰ ঘোষণাৰ অন্তৰ্ভূক্তি ভাৰতীয় সংবিধান অন্য এটা মৌলিক বৈশিষ্ট এই জৰুৰী সময়ৰ ক্ষমতাসমূহৰ মূলতে হৈছে যি কোনো জৰুৰী অৱস্থা সফলতাৰে সন্মূখীন হোৱা। ভাৰতৰ ৰাষ্ট্ৰপতিক তিনি ধৰণৰ জৰুৰী অৱস্থা ঘোষণাৰ অধিকাৰ প্ৰদান কৰা হৈছে। এই তিনিটা হৈছে জাতীয় জৰুৰী অৱস্থা ৩৫২ অনচ্ছেদ), ৰাজ্যত সাংবিধাকি শচলাৱস্থাৰ জৰুৰী অৱস্থা (৩৫৬ নং অনুচ্ছেদ), আৰু বিত্তীয় জৰুৰী অৱস্থা ৩৬০ নং অনুচ্ছেদ) জাতীয় জৰুৰী অৱস্থা ঘোষণা কীৰিলে সমগ্ৰ ৰাষ্ট্ৰখন এখন একাত্মক ৰাষ্ট্ৰত পৰিণত হয় আৰু এই কেন্দ্ৰয় চৰকাৰ অধিক ক্ষমতা শালী হৈ পৰে। সংবিধানৰ ১৮ নং অধ্যায়ত এই জৰুৰীক্ষমতাসমূহ অন্তৰ্ভূক্ত কৰা হৈছে।

১৪। **ন্যায়লয়ৰ নিৰপেক্ষতা আৰু স্বাধীনতা ঃ**

ভাৰতৰ সংবিধানত পৃথকীকৰণ নীতি প্ৰযোজ্য হোৱা নাই যদিও ন্যায়লয়ৰ নিৰপেক্ষতা ইয়াৰ এটা অতি গুৰুত্ব পূৰ্ণ বৈশিষ্ট। ইয়াৰ অৰ্থ হৈছে ভাৰতত ন্যায়বিভাগে বা ন্যায় পলিকাই কাৰ্যপালিকা আৰু বিধানমণ্ডলৰ সম্পূৰ্ণ প্ৰভাৱমুক্ত হৈ কাৰ্য্যপালন কৰিব পাৰে। ইয়াৰ উপৰিও ন্যায়াধীশ সকলৰ কাৰ্যকালো সংবিধানে নিৰ্ধাৰণ

কৰি দিছে। গণতন্ত্ৰৰ সাফল্যৰ বাবে ন্যায়পালিকাৰ নিৰপেক্ষতা শতিকে প্ৰয়োজন। এক নিৰপেক্ষ আৰু স্বাধীন ন্যায় পালিকাইহে জনসাধাৰণৰ অধিকাৰৰ ৰক্ষণাবেক্ষণ দিব পাৰে।

**১৫। ন্যায়িক পুণৰবিচাৰ ঃ**

ভাৰতৰ সংবিধান মৌলিক গাঠনিৰ এটা শূণ্যতম গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হৈছে ন্যায়িক পুণৰ বিচাৰ। **মাৰ্কিন যুক্তৰাষ্ট্ৰৰ সংবিধানৰ পৰা এই ধাৰণাটো সংগ্ৰহ কৰা হৈছে।** ইয়াৰ অৰ্থ হৈছে ভাৰতীয় সংবিধান উচ্চতম ন্যায়লয় আৰু উচ্চ ন্যায়লয় সমূহক এক বিশেষ অধিকাৰ প্ৰদান কৰিছে। চৰকাৰে বা আইন সভাই তৈয়াৰ কৰা কোনো আইন যদি সংবিধানত মৌলিক গাঠনিৰ বিপৰীতে যায়, তেতিয়া সেই আইনক ন্যায়লয়ে অবৈধ বুলি ঘোষণা কৰিব পাৰে।

**১৬। চৰাকাৰী বা কাৰ্যালয়ৰ ভাষাৰ মৰ্য্যদা ঃ**

**ভাতৰ সংবিধান হিন্দীক চৰকাৰী ভাষা হিচাপে স্বীকৃতি দিছে।** কিন্তু হিন্দীৰ লগতে ইংৰাজীকো কাৰ্যালয়ত ব্যৰহাৰ কৰি থকা পোষকতা কৰে। ৰাষ্ট্ৰ খনৰ একতা অধিক শক্তিশালী কৰি তোলাৰ বাবে এই ব্যৱস্থা কৰা হয়। সংবিধানে ইয়াৰ লগতে ২২ টা আঞ্চলিক ভাষাকো স্বীকৃতি প্ৰদান কৰে। এই তালিকাত উত্তৰ পূৱৰ তিনিটা ভাষা অন্তৰ্ভূক্ত কৰা হয়। অসমীয়া, মণিপুৰী আৰু বড়োভাষা।

**১৭। এক নাগৰিকত্ব ঃ**

সাধাৰণতে যুক্তৰাষ্ট্ৰত নাগৰিক সকলে দ্বি-নাগৰিকৰ উপভোগ কৰে। কিন্তু ভাৰতত ইয়াৰ নাগৰিক সকলক এক নাগৰিকৰ প্ৰদান কৰা হৈছে। ভাৰতৰ সকলো নাগৰিকেই ভাৰতীয় নাগৰিক। এই ব্যৱস্থাৰ জৰিয়তে জনসাধাৰণৰ একতা আৰু অধিক কটকটীয়া হৈ উঠিব বুলি আশা কৰা হৈছে।

**১৮। বিভিন্ন উৎসব কৰা সংগ্ৰহ কৰা এক দুৰ্লভ দলিল ঃ**

ভাৰতীয় সংবিধানখন এক অদ্বিতীয় আৰু দুৰ্লভ আদৰ্শসমূহ বিভিন্ন দেশৰ পৰা সংগ্ৰহ কৰা কৰিছে। **বৃটেনৰ পৰা সংসদীয় চৰকাৰৰ ধাৰণা, আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰা মৌলিক অধিকাৰ, আয়াৰলেণ্ডৰ সংবিধানৰ পৰা নিৰ্দেশাত্মকনীতিৰ ধাৰণা সংগ্ৰহ কৰা হয়।** সংবিধান ৰচোতাসকলৰ লক্ষ্য আছিল এক সুন্দৰ আৰু সফল সংবিধান প্ৰদান কৰা যিটো ভাৰতীয় পৰিৱেশত কাৰ্য্যকৰী হ'ব। সেয়েহে তেওঁলোকে বিভিন্ন দেশৰ পৰা বিভিন্ন আদৰ্শ সমূহ সংগ্ৰহ কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল।

এই সকলোবোৰ বৈশিষ্ট্যৰ লগতে আৰু কিছুমান বৈশিষ্টৰ জৰিয়তে এক সবাংগ সুন্দৰ সংবিধান গঢ় লৈ উঠিলে। কিন্তু সময়ৰ অগ্ৰগতিৰ লগে লগে বিভিন্ন প্ৰত্যাভানৰ সন্মুখীন হ'ব পৰাকৈ এই সংবিধানতো সময় সাপেক্ষে কিছু পৰিৱৰ্তৰন সাধন কৰা হৈছে।

(**বোল্ড** কৰি দিয়া বাক্যবোৰ একো একোটা চমু প্ৰশ্নৰ উত্তৰ)